# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 18-SEP-2025
**Time :** 1845 HRS

## *Assamese Evening Bulletin*
### Headlines
--------------------

১। বিটিচি নিৰ্বাচনৰ প্ৰচাৰ অভিযানৰ সামৰণিলৈ দুদিন বাকী থকা অৱস্থাত ৰাজনৈতিক দলৰ ভোটদাতাৰ মন জয়ৰ প্ৰচেষ্টা তীব্ৰতৰ। বাক্সাত দলীয় প্ৰাৰ্থীৰ হৈ মুখ্যমন্ত্ৰীৰ প্ৰচাৰ।

২। ১৯৬৪ চনৰ বিদেশী ন্যায়াধীকৰণ আইন সন্দৰ্ভত ৩ ডিচেম্বৰৰ ভিতৰত কেন্দ্ৰীয় চৰকাৰক শপতনামা দাখিল কৰিবলৈ গুৱাহাটী উচ্চ ন্যায়ালয়ৰ নিৰ্দেশ।

৩। যোৰাবাটত অসম-মেঘালয়ৰ টেক্সি চালক সন্থাৰ প্ৰতিবাদত পৰ্যটক অসুবিধাৰ সন্মুখীন। দুয়ো ৰাজ্যৰ আৰক্ষীৰ মধ্যস্থতাত পৰিস্থিতি নিয়ন্ত্ৰণ।

৪। দুৰ্গা পূজা সন্দৰ্ভত কামৰূপ মহানগৰ আৰক্ষী প্ৰশাসনৰ নিৰ্দেশনা জাৰি। পূজাৰ পূৰ্বে সকলো পথৰ নিৰ্মাণ কাৰ্য সম্পূৰ্ণ কৰিবলৈ নিৰ্দেশ। ***আৰু***

৫। এছিয়া কাপ ক্ৰিকেট প্ৰতিযোগিতাত আজি আফগানিস্তান আৰু শ্ৰীলংকা মুখামুখি।

ooooo

বিটিচি নিৰ্বাচনৰ প্ৰচাৰ অভিযানৰ সামৰণিলৈ দুদিন বাকী থকা অৱস্থাত ৰাজনৈতিক দলসমূহে প্ৰচাৰ অভিযান তীব্ৰতৰ কৰি তুলিছে। বিজেপিৰ হৈ দলটোৰ শীৰ্ষ নেতা তথা মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি বাক্সা জিলাৰ দিহিৰা, হজুৱা আৰু ককলাবাৰীত দলীয় প্ৰাৰ্থীৰ হৈ নিৰ্বাচনী প্ৰচাৰ চলায়। ড০ শৰ্মাই আজি ওদালগুৰি জিলাতো কেইবাখনো নিৰ্বাচনী সভাত অংশগ্ৰহণ কৰে। মুখ্যমন্ত্ৰীয়ে লগতে তামুলপুৰ জিলাৰ দৰঙাজুলিত আয়োজিত নিৰ্বাচনী সভাত অংশ লয়। এই নিৰ্বাচনত বিজেপি একক সংখ্যাগৰিষ্ঠ দল হ'ব বুলি মুখ্যমন্ত্ৰীয়ে আশা প্ৰকাশ কৰে।

**বাইট (চি এম)**

বিজেপিৰ ৰাজ্যিক সভাপতি দিলীপ শইকীয়া আজি গোৰেশ্বৰ পৰিষদীয় সমষ্টিত দলৰ পৰিষদীয় প্ৰাৰ্থীৰ হৈ প্ৰচাৰ চলায়। মন্ত্ৰী উৰ্খাও গৌৰা ব্ৰহ্মই আজি কচুগাঁও সমষ্টিত ইউ পি পি এল প্ৰাৰ্থীগৰাকীৰ হৈ প্ৰচাৰ সভাত অংশ লয়।

কংগ্ৰেছ দলৰ শীৰ্ষ নেতা তথা অসম প্ৰদেশ কংগ্ৰেছ কমিটীৰ সভাপতি গৌৰৱ গগৈয়ে আজি বাক্সা জিলাৰ শালবাৰী আৰু ককলাবাৰীত কেইবাখনো নিৰ্বাচনী সভাত অংশগ্ৰহণ কৰে। সাংবাদিকৰ সৈতে হোৱা কথা বতৰাত গগৈয়ে বিজেপিয়ে বিপিএফ আৰু ইউ পি পি এলৰ সৈতে একজোট হৈ চলোৱা দুটা শাসনকালত বিটিচিৰ খিলঞ্জীয়া জনসাধাৰণক ভূমিৰ পট্টা প্ৰদান নকৰিলে বুলি অভিযোগ কৰে আৰু এইবাৰৰ বিটিচি নিৰ্বাচনত ৰাইজে বিবেকৰ আহ্বান অনুসৰি ভোটদান কৰিব বুলি মন্তব্য কৰে।

**বাইট (গৌৰৱ গগৈ)**

চিৰাং জিলাৰ কাজলগাঁৱত আজি ভোটাৰ্চ্ছ পাৰ্টি ইণ্টাৰনেচনেল চমুকৈ ভি পি আইয়ে নিৰ্বাচনী প্ৰচাৰ চলায়। ইউ পি পি এলৰ ছালাকাটি সমষ্টিৰ প্ৰাৰ্থী লৰেন্স ইছলাৰী আৰু সমষ্টিটোৰ বি পি এফৰ প্ৰাৰ্থী ডেৰহাছাত বসুমতাৰীয়ে আজি প্ৰচাৰ সভাত অংশ লৈ ভোটদাতাৰ মন জয় কৰাৰ চেষ্টা চলায়।

বিটিচি পৰিষদীয় নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত ভাৰত-ভূটান সীমান্তৰ প্ৰৱেশদ্বাৰ সাময়িকভাৱে বন্ধ ৰখাৰ নিৰ্দেশ দিয়া হৈছে। চুবুৰীয়া ৰাষ্ট্ৰখনৰ চৰকাৰী সূত্ৰই প্ৰকাশ কৰা মতে ভোটগ্ৰহণৰ পূৰ্বে ১৯ ছেপ্তেম্বৰৰ সন্ধিয়া ৬ বজাৰ পৰা ২৩ ছেপ্তেম্বৰৰ পুৱা ৬ বজালৈ এই প্ৰৱেশদ্বাৰ বন্ধ থাকিব। একেদৰে ২৬ ছেপ্তেম্বৰত ভোটগণনাৰ পৰিপ্ৰেক্ষিতত ২৫ ছেপ্তেম্বৰৰ সন্ধিয়া ৬ বজাৰ পৰা ২৭ ছেপ্তেম্বৰৰ পুৱা ৬ বজালৈ জমছুতংখা, ছানদ্ৰুপ জাংখাৰ, নামলাং, পানবাং, গেলেফু আৰু নাহৰণিৰ প্ৰৱেশদ্বাৰ বন্ধ থাকিব।

০০০০০

বিটিচি নিৰ্বাচনৰ প্ৰচাৰ অভিযান সন্দৰ্ভত আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগে পৰহিলৈ ২০ ছেপ্তেম্বৰৰ নিশা ৮ বাজি দুই মিনিটত এটা বিশেষ দৃষ্টিপাত অনুষ্ঠান প্ৰচাৰ কৰিব। এই অনুষ্ঠানত আমাৰ কোকৰাঝাৰ, চিৰাং, বাক্সা, তামুলপুৰ আৰু ওদালগুৰি জিলাৰ সংবাদদাতা কেইগৰাকীৰ লগতে বি টি চিৰ ভোটগ্ৰহণ কেন্দ্ৰ থকা বিশ্বনাথ জিলাৰ সংবাদদাতাগৰাকীয়েও অংশগ্ৰহণ কৰিব। আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ মুৰব্বী ৰাজীৱ লোচন বৰঠাকুৰে আঁত ধৰিবলগীয়া এই আলোচনাত  সাংবাদিক অৰূপ শাণ্দিল্যইও ষ্টুডিঅ'ৰ পৰা আমাৰ সংবাদদাতাসকলৰ সৈতে আলোচনাত ভাগ ল'ব।

০০০০০

১৯৬৪ চনৰ বিদেশী ন্যায়াধীকৰণ আইনক প্ৰত্যাহ্বান জনাই দাখিল কৰা এখন ৰাজহুৱা স্বাৰ্থজড়িত আবেদনৰ শুনানি গ্ৰহণ কৰি আজি গুৱাহাটী উচ্চ ন্যায়ালয়ে এই সন্দৰ্ভত অহা ৩ ডিচেম্বৰৰ ভিতৰত কেন্দ্ৰীয় চৰকাৰক শপতনামা দাখিল কৰিবলৈ নিৰ্দেশ দিয়ে।  অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদৰ প্ৰাক্তন উপ-সভাপতি পলাশ ৰঞ্জন বৰুৱাই দাখিল কৰা আবেদনৰ ভিত্তিত গুৱাহাটী উচ্চ ন্যায়ালয়ে আজি এই নিৰ্দেশ দিয়ে। আবেদনকাৰী শ্ৰীবৰুৱাই ১৯৬৪ চনৰ বিদেশী ন্যায়াধীকৰণ আইনৰ পৰিৱৰ্তে ১৯৫০ চনৰ বিদেশী অনুপ্ৰবেশকাৰী অসমৰ পৰা বহিষ্কাৰ আইনৰ জৰিয়তে বিদেশী চিনাক্তকৰণ আৰু বিতাড়নৰ প্ৰক্ৰিয়া সম্পন্ন কৰিবলৈ অনুৰোধ জনাইছিল।

০০০০০

অসম আৰু মেঘালয়ৰ টেক্সি চালক সন্থাই যোৱাবাটত কৰা প্ৰতিবাদৰ ফলত আজি বহু সময় ধৰি চুবুৰীয়া ৰাজ্য দুখনৰ পৰ্যটকসকল অসুবিধাৰ সন্মুখীন হয়। মেঘালয়ৰ টেক্সি চালক সন্থাই পূৰ্বে অসমৰ পৰা পৰ্যটক লৈ যোৱা বাহনসমূহ ৰাজ্যখনত প্ৰৱেশত বাধা দিয়াৰ উপৰি মেঘালয় ভ্ৰমণ কৰিবলৈ ৰাজ্যখনৰ বাহনহে ব্যৱহাৰ কৰিব লাগিব বুলি দাবী তুলিছিল। এই কাৰ্যৰ প্ৰতিবাদ হিচাপে আজি অসমৰ টেক্সি চালক সন্থাই মেঘালয়ৰ পৰা যাত্ৰী কৰিয়াই অনা ৰাজ্যখনৰ বাহনসমূহ অসমত প্ৰৱেশত বাধা দিয়াক লৈ অপ্ৰীতিকৰ পৰিস্থিতিৰ সৃষ্টি হয়। দুয়ো ৰাজ্যৰ আৰক্ষী প্ৰশাসন আৰু পৰিবহণ বিভাগৰ লোক ঘটনাস্থলীত উপস্থিত হৈ পৰিস্থিতি নিয়ন্ত্ৰণ কৰে। এই সন্দৰ্ভত মেঘালয়ৰ মুখ্য সচিবে বিষয়টো নিষ্পত্তি কৰিবলৈ অসমৰ মুখ্য সচিবৰ পৰা দুদিনৰ সময় বিচাৰিছে বুলি পৰিবহণ আয়ুক্ত গৌতম দাসে প্ৰকাশ কৰে।

**বাইট (গৌতম দাস)**

০০০০০

দুৰ্গা পূজা সন্দৰ্ভত কামৰূপ মহানগৰ আৰক্ষী প্ৰশাসনে কেইবাটাও গুৰুত্বপূৰ্ণ নিৰ্দেশনা জাৰি কৰিছে। পূজাৰ সময়ত গুৱাহাটীত দুৰ্ঘটনা ৰোধ কৰাৰ উদ্দেশ্যে ৰাজ্যৰ লোকনিৰ্মাণ বিভাগক আৰক্ষী প্ৰশাসনে সকলো পথৰ নিৰ্মাণ কাৰ্য পূজাৰ পূৰ্বে সম্পূৰ্ণ কৰাৰ নিৰ্দেশ দিছে। পথত কোনো ধৰণৰ নিৰ্মাণ সামগ্ৰী থাকিব নোৱাৰিব বুলি

নির্দেশনাত উল্লেখ কৰা হৈছে। ইয়াৰ উপৰি পথত থকা গাঁতসমূহো বিভাগে অতি সোনকালে পোতাৰ ব্যৱস্থা কৰাৰ লগতে মহনগৰীৰ পথত কোনো ধৰণৰ নতুন গাঁত খন্দা অথবা আন কোনো কাম পূজাৰ পূৰ্বে কোনো বিভাগে কৰিব নোৱাৰিব বুলিও নিৰ্দেশনাটোত প্ৰকাশ কৰা হৈছে। ৰাজহুৱা স্থানত পূজামণ্ডপ নিৰ্মাণৰ বাবে প্ৰশাসনৰ অনুমতি ল'ব লাগিব বুলি নিৰ্দেশনাটোত স্পষ্টকৈ উল্লেখ কৰাৰ লগতে দুৰ্ঘটনা প্ৰতিৰোধ ব্যৱস্থাৰ প্ৰমাণপত্ৰ আগতিয়াকৈ প্ৰশাসনক জমা দিব লাগিব বুলিও কোৱা হৈছে। পূজা মণ্ডপত অগ্নিনিৰ্বাপনৰ ব্যৱস্থা ৰখাৰ লগতে প্ৰতিখন পূজা সমিতিয়ে শব্দপ্ৰদূষণৰ নিয়ম মানি চলিব লাগিব বুলিও প্ৰশাসনে নিৰ্দেশ দিছে।

প্ৰতিটো পূজা মণ্ডপত পূজা সমিতিসমূহে চিচি টিভি স্থাপনৰ লগতে নিশালৈকে পূজাস্থলীত স্বেচ্ছাসেৱক থকাৰ ব্যৱস্থা কৰিব লাগিব বুলি নিৰ্দেশনাটোত কোৱা হৈছে। পূজা সমিতিসমূহে হেল্প ডেস্ক আৰু চিকিৎসা ডেস্কৰো ব্যৱস্থা কৰিব লাগিব। তদুপৰি পূজা সমিতিৰ স্বেচ্ছাসেৱকসমূহৰ তালিকা আৰক্ষীক আগতিয়াকৈ জমা দিব লাগিব। পূজা মণ্ডপৰ ১০০ মিটাৰ ব্যাসাৰ্ধত কোনো পাৰ্কিং জ'নৰ ব্যৱস্থা কৰিব নোৱাৰিব বুলি প্ৰশাসনে নিৰ্দেশনাটোত উল্লেখ কৰিছে। লগতে বিসৰ্জনৰ সময়ত ফটকাজাতীয় সামগ্ৰী ব্যৱহাৰতো বাধানিষেধ আৰোপ কৰা হৈছে। উল্লেখযোগ্য যে পূজাৰ নিৰ্দেশনাৱলী সন্দৰ্ভত আজি গুৱাহাটী জিলা পুঁথিভৰাল প্ৰেক্ষাগৃহত কামৰূপ মহানগৰ আৰক্ষী প্ৰশাসনৰ উদ্যোগত এখন সভা অনুষ্ঠিত হয়।

ooooo

সেৱা সপ্তাহৰ অংশ হিচাপে ৰাজ্যৰ বিভিন্ন প্ৰান্তত আজি স্বাস্থ্য শিবিৰ অনুষ্ঠিত হয়। ৰাজ্য চৰকাৰে এই কাৰ্যসূচীৰ সৈতে সংগতি ৰাখি আজি ১৮ বছৰ তলৰ ল'ৰা-ছোৱালীৰ বাবে বৃহৎ চিকিৎসা শিবিৰ মুকলি কৰে। এই শিবিৰত ৫০টাতকৈ অধিক ৰোগৰ বিনামূলীয়া চিনাক্তকৰণ আৰু চিকিৎসাৰ ব্যৱস্থা কৰা হৈছে। ৰাজ্যৰ আটাইকেইটা বিধানসভা সমষ্টিতে এই শিবিৰ মুকলি কৰা হৈছে। **চাবুৱাৰ** ডি ডি আৰ মহাবিদ্যালয়ত আজি আয়োজিত এই কাৰ্যসূচীত কেন্দ্ৰীয় বন্দৰ, জাহাজ পৰিবহণ আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱালে অংশগ্ৰহণ কৰে। তেওঁ কয়, যে বৃহৎ স্বাস্থ্য শিবিৰত প্ৰদান কৰা স্বাস্থ্য সেৱাৰ সুবিধাই মহিলা আৰু শিশুসকলকে ধৰি সৰ্বস্তৰৰ ৰাইজক উপকৃত কৰিছে।

**বাইট (সৰ্বানন্দ সোণোৱাল)**

**হোজাই** জিলাতো আজি শিক্ষানুষ্ঠানসমূহত ছাত্ৰ-ছাত্ৰীসকলৰ স্বাস্থ্য পৰীক্ষাৰ বাবে স্বাস্থ্য মেলা অনুষ্ঠিত হয়। **গোৱালপাৰা** জিলা প্ৰশাসন আৰু জিলা স্বাস্থ্য সমিতিৰ সহযোগত আজি দুধনৈত এই শিবিৰ মুকলি কৰা হয়। এই শিবিৰত দুধনৈ সমষ্টিৰ ভালেসংখ্যক শিশু, বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী আৰু অন্যান্য লোকৰ স্বাস্থ্য পৰীক্ষা কৰোৱা হয়। এই শিবিৰত নাক, কান আৰু ডিঙিৰ ৰোগ, চৰ্মৰোগ, মানসিক ৰোগকে ধৰি কেইবাবিধো ৰোগ চিনাক্ত কৰি ঔষধ বিতৰণ কৰা হয়।

ooooo

ৰাজ্যত যাত্ৰীৰ চাহিদা অনুসৰি স্থানীয় ৰে'লগাড়ী অৰ্থাৎ লোকেল ট্ৰেইন প্ৰৱৰ্তন কৰা আৰু ৰে'লগাড়ীসমূহ ৰখোৱাৰ সুবিধাজনক স্থান অৰ্থাৎ ষ্টপেজ দিয়াৰ দাবীত আজি ৰাজ্যখনৰ বিভিন্ন স্থানত নাগৰিক সংগঠনসমূহে মুখ্যমন্ত্ৰী আৰু ৰে'ল কৰ্তৃপক্ষলৈ স্মাৰক পত্ৰ প্ৰদান কৰি ৰে'ল কী বাত কাৰ্যসূচী ৰূপায়ণ কৰে। অসম ৰে'ল যাত্ৰী সংস্থাৰ আহ্বানত আজি বঙাইগাঁও, সৰুপেটা, চাপৰ, ধুবুৰী, লামডিং, ডিগবৈ, কোকৰাঝাৰ, পাঠশালা, বৰপেটা ৰোড, গুৱাহাটী, গোসাঁইগাঁও, ফকিৰাগ্ৰাম, নামৰূপ, হাইলাকান্দি, ডুমডুমা, উত্তৰ কাঠনি, গহপুৰ, গোৱালপাৰা আদি বিভিন্ন ষ্টেচনত ভাৰপ্ৰাপ্ত ৰে'ল বিষয়াসকলৰ জৰিয়তে সংগঠনসমূহে মুখ্যমন্ত্ৰী আৰু ৰে'ল কৰ্তৃপক্ষলৈ স্মাৰক পত্ৰ প্ৰেৰণ কৰে। স্মাৰক পত্ৰকেইখনত অসম তথা উত্তৰ পূৰ্বাঞ্চলত ৰে'ল সেৱা সম্প্ৰসাৰণৰ বাবে কেন্দ্ৰীয় চৰকাৰে যোৱা কিছু বছৰত ব্যাপক পৰিমাণৰ পুঁজি আৱণ্টন কৰাৰ বাবে সন্তুষ্টি প্ৰকাশ কৰাৰ লগতে ৰাজ্যখনত বৈদ্যুতিকৰণ আৰু

ৰে'লপথ দ্বৈতকৰণ সম্পূৰ্ণ হোৱাৰ পাছতো পৰ্যাপ্ত স্থানীয় ৰে'লৰ সুবিধা নোহোৱা, ক'ভিডকালত প্ৰত্যাহাৰ কৰা আস্থানসমূহ পুনৰ প্ৰৱৰ্তন কৰা আৰু নতুন পথেৰে স্থানীয় ৰে'লগাড়ী প্ৰৱৰ্তন আদি কেইবাটাও দাবী সন্নিবিষ্ট কৰা হয়।

০০০০০

সেৱা আৰু সু-শাসনৰ মন্ত্ৰৰে পৰিচালিত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী নেতৃত্বাধীন চৰকাৰে পৰিৱৰ্তন আৰু প্ৰগতিৰ বাবে অক্লান্তভাৱে কাম কৰি আহিছে। সেৱা পৰ্ব প্ৰতিবেদনলানিত আজি আমি মোদী চৰকাৰে কৃষি খণ্ডত কিদৰে পৰিৱৰ্তনৰ সূচনা কৰিছে আৰু কৃষকসকলক সৱল কৰি তুলিছে সেই বিষয়ে কবলৈ ওলাইছো।

**প্ৰতিবেদন ঃ**

**(ভইচ ঃ কৃষি দেশৰ অৰ্থব্যৱস্থা আৰু সংস্কৃতিৰ ৰাজহাড় স্বৰূপ। দেশৰ এতিয়াও লাখ লাখ পৰিয়ালে কৃষিকে মূল জীৱিকা হিচাপে লৈ বৰ্তি আছে। ভাৰত স্বাধীনতা লাভৰ অমৃত কালত প্ৰৱেশ কৰাৰ সময়ত সৱল খেতিয়কসকলে দেশক খাদ্য উৎপাদনৰ ক্ষেত্ৰত আত্মনিৰ্ভৰশীলতাৰ পৰা অগ্ৰণী স্থিতিলৈ লৈ যাবলৈ সাজু হৈছে। বিগত এঘাৰ বছৰত কৃষি মন্ত্ৰালয়ৰ বাবে বাজেটত আৱণ্টিত ধন প্ৰায় ২২ হাজাৰ কোটিৰ পৰা ১ লাখ ৩৭ হাজাৰ কোটি টকালৈ বৃদ্ধি কৰা হৈছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এইবেলি স্বাধীনতা দিৱসত ঐতিহাসিক লালকিল্লাৰ প্ৰাচীৰৰ পৰা ৰাষ্ট্ৰক উদ্দেশ্যি দিয়া ভাষণত খেতিয়কসকল চৰকাৰৰ বাবে বৃহৎ অগ্ৰাধিকাৰৰ বিষয় বুলি আৰু খেতিয়কৰ স্বাৰ্থৰ সৈতে কোনো কাৰণতে আপোচ কৰা নহয় বুলি উল্লেখ কৰিছে। চৰকাৰে কৃষকৰ স্বাৰ্থ সুনিশ্চিত কৰাৰ বাবে নিৰন্তৰ কাম কৰি বিগত এঘাৰ বছৰত খাৰিফ শস্যৰ ন্যূনতম সমৰ্থন মূল্য ৮১ শতাংশৰ পৰা ২২৬ শতাংশলৈ বৃদ্ধি কৰিছে। একেদৰে খেতিয়কসকলৰ বিত্তীয় সুৰক্ষা সুনিশ্চিত কৰাৰ উদ্দেশ্যে চৰকাৰে প্ৰধানমন্ত্ৰী কিষাণ সন্মান নিধি মুকলি কৰিছে। এই আঁচনিৰ অধীনত যোৱা ছবছৰত ৩ লাখ ৯০ হাজাৰ কোটিৰো অধিক টকা বিতৰণ কৰা হৈছে। ক্ষুদ্ৰ আৰু উপান্ত খেতিয়কসকলৰ বাবে প্ৰধানমন্ত্ৰী কিষাণ মান্ধন যোজনাৰ অধীনত মাহিলী ৩ হাজাৰ টকাৰ পেঞ্চন প্ৰদানৰ ব্যৱস্থা কৰা হৈছে। প্ৰায় ২৫ লাখ খেতিয়কে এই আঁচনিত নাম পঞ্জীয়ন কৰিছে। খেতিয়কসকলৰ বাবে ঋণ, সুলভ আৰু সহজলভ্য কৰি তোলাৰ উদ্দেশ্যে কিষাণ ক্ৰেডিট কাৰ্ড আঁচনিৰ অধীনত প্ৰদান কৰা ঋণৰ সৰ্বোচ্চ সীমা ৫ লাখ টকালৈ বৃদ্ধি কৰা হৈছে। এই আঁচনিৰ অধীনত বৰ্তমানলৈকে ১০ লাখ কোটি টকা প্ৰদান কৰা হৈছে। কৃষক কল্যান আৰু খাদ্য সুৰক্ষা সুনিশ্চিত কৰাৰ বাবে প্ৰৱৰ্তন কৰা আন কেইখনমান লেখতলবলগীয়া আঁচনিৰ ভিতৰত প্ৰধানমন্ত্ৰী ফচল বীমা যোজনা, প্ৰধানমন্ত্ৰী কৃষি জলসিঞ্চন যোজনা, কৃষি আন্তঃগাথনি পুঁজি, প্ৰধানমন্ত্ৰী কিষাণ সমৃদ্ধি কেন্দ্ৰ, ৰাষ্ট্ৰীয় কৃষি বিপনী ই-নাম অন্যতম।)**

০০০০০

গোলাঘাট জিলাৰ শেহতীয়া বান পৰিস্থিতিৰ বাবে পৰহিলৈৰ পৰা হ'বলগীয়া ছমহীয়া পৰীক্ষাৰ দিন পিছুৱাই দিয়া হৈছে। গোলাঘাট জিলাৰ বিদ্যালয়সমূহৰ পৰিদৰ্শকে এই সন্দৰ্ভত অধিসূচনা জাৰি কৰি নৱম আৰু দশম শ্ৰেণীৰ ছমহীয়া পৰীক্ষা স্থগিত ৰখাৰ বিষয়ে ঘোষণা কৰিছে। একেদৰে জিলাখনৰ অন্তৰ্গত প্ৰাথমিক বিদ্যালয়ৰ পৰীক্ষাসমূহো পিছুৱাই দিয়া হৈছে। জিলা আয়ুক্তৰ নিৰ্দেশনা ভিত্তিত এই সিদ্ধান্ত গ্ৰহণ কৰা হৈছে।

০০০০০

ৰাজ্য চৰকাৰে দক্ষ চালক সৃষ্টিৰ বাবে প্ৰতিটো বিধানসভা সমষ্টিত একোটাকৈ চালক প্ৰশিক্ষণ কেন্দ্ৰ স্থাপনৰ বাবে সিদ্ধান্ত গ্ৰহণ কৰিছে। মন্ত্ৰীসভাই এই সন্দৰ্ভত অতি সোনকালে এটা প্ৰস্তাৱ গ্ৰহণ কৰিব বুলি পৰিবহন মন্ত্ৰী যোগেন মহনে সদৰি কৰিছে। হাউলীত আজি ৰাজ্যৰ দ্বিতীয়টো চালক প্ৰশিক্ষণ কেন্দ্ৰ আৰু স্বয়ংক্ৰিয় ড্ৰাইভিং টেষ্ট ট্ৰেক উদ্বোধন কৰি মন্ত্ৰী শ্ৰীমহনে কয় যে চৰকাৰৰ এই সিদ্ধান্তৰ ফলত যুৱ সমাজৰ বাবে সংস্থাপনৰ নতুন পথ মুকলি

হ'ব। ইয়াৰ ফলত দুৰ্ঘটনা ৰোধ, যান-জঁটৰ সমস্যা, তীব্ৰ গতি আৰু সুৰাপান কৰি গাড়ী চলোৱা আদি সমস্যাসমূহো হ্ৰাস পাব বুলিও মন্ত্ৰীগৰাকীয়ে সদৰি কৰিছে। হাউলীত আজি উদ্বোধন কৰা প্ৰশিক্ষণ কেন্দ্ৰটোৰ পৰা বছৰি ছহেজাৰ দক্ষ বাহন চালক সৃষ্টিৰ লক্ষ্য নিৰ্ধাৰণ কৰি লোৱা হৈছে বুলি তেওঁ কয়।

ooooo

এছিয়া কাপ ক্ৰিকেট প্ৰতিযোগিতাত আজি গ্ৰুপ-বিৰ এখন গুৰুত্বপূৰ্ণ খেলত আফগানিস্তান শ্ৰীলংকাৰ মুখামুখি হ'ব। খেলখন ভাৰতীয় সময় অনুসৰি নিশা ৮ বজাত আৰম্ভ হ'ব।

ইপিনে, যোৱা নিশা ডুবাই আন্তঃৰাষ্ট্ৰীয় ষ্টেডিয়ামত অনুষ্ঠিত গ্ৰুপ-এৰ এখন খেলত পাকিস্তানে আয়োজক দেশ সংযুক্ত আৰব আমিৰি ৰাষ্ট্ৰক ৪১ ৰানত পৰাস্ত কৰে।

ooooo

সমাপ্ত